# REGIONAL NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 29-08-2025
**Time :** 1205 hrs

## *Assamese Midday Bulletin*
ooooo

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি অসম ৰাজভৱনৰ ব্ৰহ্মপুত্ৰ শাখা উদ্বোধন কৰে। উদ্বোধনী অনুষ্ঠানত ভাষণ দি গৃহমন্ত্ৰীগৰাকীয়ে কয় যে আজিৰ এই উদ্বোধনী অনুষ্ঠান ৰাজ্যখনৰ বাবে শ্ৰীগণেশৰ আশীৰ্বাদ হিচাপে পৰিগণিত হৈছে। ভৱিষ্যতৰ অসমৰ সৈতে সংগতি ৰাখি এই ভৱনটো নিৰ্মাণ কৰা হৈছে বুলি মত প্ৰকাশ কৰি তেওঁ এই কামৰ বাবে ৰাজ্য চৰকাৰক ভূয়সী প্ৰশংসা কৰে। ৰাজ্যৰ বিকাশমুখী যাত্ৰাত নৱতম সংযোজন হিচাপে ৪১ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰা এই নতুন ৰাজভৱনগৃহটো ৯ হাজাৰ ৬১৩ বৰ্গফুট পৰিসৰৰ। নতুন ৰাজভৱন গৃহটোত ৰাজ্যপালৰ কাৰ্যালয়, অতিৰিক্ত আয়ুক্তৰ কাৰ্যালয়, প্ৰধান ব্যক্তিগত সচিবৰ কাৰ্যালয়, সন্মিলন কক্ষকে ধৰি আন বহু সুবিধা থাকিব। এই উপলক্ষে অনুষ্ঠিত কাৰ্যসূচীত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ভাষণ দিয়ে। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে এই অনুষ্ঠানৰ পৰাই ভাৰ্চুৱেল ব্যৱস্থাৰে দেৰগাঁৱৰ লাচিত বৰফুকন পুলিচ একাডেমীত দেশৰ দ্বিতীয়টো ৰাষ্ট্ৰীয় চাইবাৰ ফৰেণচিক গৱেষণাগাৰ উদ্বোধন কৰে। ৪৫ কোটি টকা ব্যয়সাপেক্ষে এই ফৰেণচিক গৱেষণাগাৰ নিৰ্মাণ কৰা হৈছে। ইয়াৰ জৰিয়তে উত্তৰ-পূৰ্বাঞ্চলৰ আটাইকেইখন ৰাজ্যৰ বাবে বিস্তৃতভাৱে ডিজিটেল অনুসন্ধানৰ সুবিধা প্ৰদানৰ লগতে আধুনিক ফৰেণচিক পদ্ধতিৰে আইন প্ৰয়োগৰ ক্ষমতা শক্তিশালী কৰা হ'ব।

আকাশবাণী গুৱাহাটী কেন্দ্ৰই আজি গুৱাহাটীৰ নৱনিৰ্মিত ৰাজভৱন মুকলিৰ অনুষ্ঠান পোনপটীয়াকৈ প্ৰচাৰ কৰে।

দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ অহা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহক কালি সন্ধিয়া মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়া আৰু অগপৰ সভাপতি অতুল বৰাকে ধৰি কেইবাগৰাকী নেতাই গুৱাহাটী বিমান বন্দৰত আদৰণি জনায়। কালি বিয়লি ভাগত অহা ধাৰাষাৰ বৰষুণে গুৱাহাটী মহানগৰীৰ বিভিন্ন স্থানত সৃষ্টি কৰা কৃত্ৰিম বানৰ মাজেৰে গৃহমন্ত্ৰীগৰাকীক বিমান বন্দৰৰ পৰা পোনে পোনে ৰাজ্যিক বিজেপিৰ কাৰ্যালয় অটল বিহাৰী বাজপেয়ী ভৱনলৈ লৈ অনা হয়। তাত তেওঁ বিজেপিৰ কৰ্ণধাৰ সমিতিৰ সৈতে এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়।

কেন্দ্ৰীয় গৃহমন্ত্ৰী গৰাকীয়ে আজি বিয়লি শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত প্ৰাক্তন মুখ্যমন্ত্ৰী গোলাপ বৰবৰাৰ জন্ম শতবৰ্ষৰ উদ্বোধনী কাৰ্যসূচীত অংশ ল'ব।

শ্ৰী শ্বাহে আজি গুৱাহাটীৰ খানাপাৰাত হ'বলগীয়া পঞ্চায়ত প্ৰতিনিধি সন্মিলনতো ভাগ ল'ব।

ooooo

যোৰহাট জিলা ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাই কেঁচা পাতৰ মূল্য হ্ৰাসৰ বিৰুদ্ধে কালি চিনামৰাত থকা ভাৰতীয় চাহ বোৰ্ডৰ কাৰ্যালয়ৰ সন্মুখত প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰায় ডেৰ শতাধিক ক্ষুদ্ৰ চাহ খেতিয়কে অংশগ্ৰহণ কৰা এই প্ৰতিবাদৰ অংশস্বৰূপে ভাৰতীয় চাহ বোৰ্ডৰ ভাৰপ্ৰাপ্ত উপাধ্যক্ষ তথা কাৰ্যবাহী

সম্পাদকলৈ এখন স্মাৰক পত্ৰ প্ৰেৰণ কৰা হয়। প্ৰতিবাদকাৰী খেতিয়কসকলৰ মতে প্ৰতি কেজি কেঁচা চাহপাতৰ উৎপাদন ব্যায় ২৫ টকাতকৈ অধিক যদিও অধিকাংশ কলঘৰে খেতিয়কসকলক প্ৰতি কেজি কেঁচা চাহপাতৰ বিনিময়ত ১৪ৰ পৰা ২০ টকা মূল্যহে প্ৰদান কৰে। ফলত ক্ষুদ্ৰ চাহ খেতিয়কসকল গুৰুতৰভাৱে লোকচানৰ সন্মুখীন হৈছে বুলি প্ৰতিবাদকাৰী কৃষকসকলে মন্তব্য কৰে।

০০০০০

ডিব্ৰুগড় চহৰৰ দূৰদৰ্শন কেন্দ্ৰৰ সমীপৱৰ্তী মানকটা পথৰ ওপৰত ৰে'লৰে অভাৰব্ৰীজৰ নিৰ্মাণ কাৰ্য আৰম্ভ হোৱাৰ বাবে ডিব্ৰুগড়ৰ পৰা খনিকৰ চাৰিআলি অভিমুখী যানবাহৰ বাবে বিকল্প পথৰ ব্যৱহাৰ কৰা হৈছে। ডিব্ৰুগড় জিলা প্ৰশাসনে এই সন্দৰ্ভত কালি এখন জাননী জাৰি কৰিছে। জাননীখনত উল্লেখ কৰা অনুসৰি ডিব্ৰুগড়ৰ পৰা খনিকৰ চাৰিআলি অভিমুখী বাহনসমূহ দূৰদৰ্শন কেন্দ্ৰৰ কাষেৰে সোমাই ৰে'লপথ অতিক্ৰম কৰি টেপৰ গাঁও হৈ কছাৰীবাৰী নামঘৰৰ ওচৰত ওলাব পাৰিব।

০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰই অহা ৩০ আগষ্টৰ নিশা এখন নতুন সংগীতালেখ্য প্ৰচাৰ কৰিব। কেন্দ্ৰটোৰ অংশকালীন বাতৰি পৰিবেশক তথা সাংবাদিক উৎপল কুমাৰ দাসে ৰচনা কৰা এই গৱেষণাধৰ্মী আলেখ্যখনৰ নাম **অসমীয়া গীত-মাতত গাঁওখন**। আলেখ্যখনৰ বিৱৰণী কণ্ঠ উৎপল কুমাৰ দাস আৰু অৰুণিমা গোস্বামীৰ। কবিতাংশৰ আবৃত্তি উৎপল কুমাৰ দাস আৰু ইন্দ্ৰজিৎ দাসৰ। শনিবাৰে নিশা চাৰে ৯ বজাত আকাশবাণী গুৱাহাটীৰ মহাবাহু শাখাত প্ৰচাৰ হ'বলগীয়া এই আলেখ্যখনৰ প্ৰযোজনা ঋতুপৰ্ণা দাসৰ।

০০০০০

আকাশবাণী গুৱাহাটীৰ প্ৰাক্তন বাতৰি পঢ়োতা গোলাপ শইকীয়াৰ পঞ্চম মৃত্যু বাৰ্ষিকী উপলক্ষে আন আন বছৰৰ দৰে এইবাৰো বাতৰি বিভাগৰ তৰফৰ পৰা এখন অনলাইন বাতৰি পঢ়া প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। অষ্টম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে মুকলি এই প্ৰতিযোগিতাৰ ভাষা হ'ব অসমীয়া আৰু সময় ১ মিনিট নিৰ্ধাৰণ কৰা হৈছে। ইচ্ছুক প্ৰতিযোগীয়ে সাম্প্ৰতিক ঘটনাৱলী সম্পৰ্কত সংবাদ মাধ্যমত প্ৰকাশিত বাতৰি আকাশবাণীৰ বাবে উপযুক্ত ৰূপত মোবাইল ফোন অথবা অডিঅ' ৰেকৰ্ডাৰত ৰেকৰ্ড কৰি এম-পি থ্ৰী ৰূপত ৯৭১৬৬৮০৯৬৯, ৯৮৬৪৩৯৩১৫৫ আৰু ৯৬১৯৬৮৬৬৫৯ নম্বৰত হোৱাট্‌ছএপত পঠিয়াব লাগিব। ২৪ ছেপ্তেম্বৰৰ সন্ধিয়া ৬ বজাৰ ভিতৰত লাভ কৰা হোৱাট্‌ছএপ বাৰ্তাহে প্ৰতিযোগিতাৰ বাবে বিবেচনা কৰা হ'ব। ইয়াৰ বাহিৰে আন কোনো ধৰণে দিয়া বাতৰিৰ বাৰ্তা গ্ৰহণযোগ্য নহ'ব। বিজয়ী প্ৰতিযোগীসকলক পুৰস্কাৰ আৰু প্ৰমাণপত্ৰৰে সন্মানিত কৰা হ'ব আৰু প্ৰথম বিবেচিত তিনিটা বাতৰি আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰিত প্ৰচাৰ কৰা হ'ব।

০০০০০

**সমাপ্ত**